# REGIONAL NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2025
**Time :** 1205 Hrs

***Regional Midday Bulletin***
***::::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ অঞ্চলিৰ সন্ন্যাসী শিৱ ধামত বিজয় সংকল্প সভাত অংশ ল'ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি এই সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

উল্লেখযোগ্য যে, কালি তামুলপুৰ জিলাৰ বাগানপাৰাত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে, অহা জানুৱাৰীৰ পৰা অৰুণোদয় আঁচনিৰ ধন লাভ কৰা মহিলাসকলে ৰন্ধন গেছ ক্ৰয়ৰ নামত ২৫০ টকাকৈ লাভ কৰিব। তেওঁ লগতে কয় যে নিৰ্বাচনৰ পাছত বি টি আৰত কোনো দ্বিতীয় শ্ৰেণীৰ নাগৰিক নাথাকিব আৰু সকলো নাগৰিক প্ৰথম শ্ৰেণীৰ হ'ব। বিজেপি চৰকাৰৰ দিনত বি টি আৰত উন্নয়ন হৈছে বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে। কালিৰ এই সভাত সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী জয়ন্ত মল্লবৰুৱাকে ধৰি কেইবাজনো নেতাই অংশগ্ৰহণ কৰে।

০০০০

স্বাধীনতা দিৱসৰ পূৰ্বে উজনি অসমৰ ৫ খন জিলা ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউৰ গুৰুত্বপূৰ্ণ স্থানৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিবলৈ যোৱা নিশা ডিব্ৰুগড়ৰ আৰক্ষী অতিথি শালাত এখন উচ্চ স্তৰীয় পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত তেলৰ পাইপ লাইন, ৰে'লপথ বৃহৎ দলং আৰু অন্য গুৰুত্বপূৰ্ণ সম্পত্তিসমূহৰ সুৰক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। একেদৰে দেশৰ শক্তিখণ্ডত উজনি অসমত গুৰুত্বৰ কথা বিবেচনা কৰি অইল ইণ্ডিয়া লিমিটেডৰ খাদ আৰু পাইপ লাইন আদিৰ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হয়। এই  পুনৰীক্ষণ বৈঠকত ৰাজ্যিক আৰক্ষী বাহিনী আৰু কেন্দ্ৰীয় সুৰক্ষা সংস্থাসমূহৰ মাজত সমন্বয়ৰ প্ৰট'কলসমূহক লৈও আলোচনা কৰা হয়। বৈঠকত স্বাধীনতা দিৱসৰ সময়ছোৱাত উগ্ৰপন্থী সংগঠনসমূহে চলাব পৰা কূটাঘাতৰ আশংকা কৰি ৰে'ল কৰ্তৃপক্ষক মুখ্য ৰে'লপথ আৰু গুৰুত্বপূৰ্ণ ষ্টেচনসমূহত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা কৰিবলৈ কোৱা হয়। বৈঠকত আৰক্ষীৰ সুৰক্ষা মহাপৰিদৰ্শক ইমদাদুল হুছেইন বৰাই অধ্যক্ষতা কৰে।

0000

কাজিৰঙাৰ দুখনকৈ প্ৰাচীন বিল কাজিৰঙা আৰু হুকুমা পুনৰ উজ্জীৱিত কৰাৰ বাবে বছৰজুৰি হ'বলগীয়া বহনক্ষম উন্নয়ন আৰু পৰ্যটনৰ প্ৰকল্পৰ প্ৰাৰম্ভিক কামৰ বুজ ল'বলৈ কালি নাবাৰ্ড অসমৰ মহাপ্ৰবন্ধক ক্যোমৰ জাৱেদ কাজিৰঙাত উপস্থিত হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা বনাঞ্চলৰ দাঁতি কাষৰীয়া ৰাজহ এলেকাত অৱস্থিত ক্ৰমাৎ পোত খাই অহা এই ঐতিহাসিক বিল দুখন খান্দি জল সংৰক্ষণ প্ৰাকৃতিক পৰিৱেশ সুস্থিৰ কৰাৰ লগতে স্থানীয় লোকৰ বহনক্ষম উন্নয়নৰ বাবে নাবাৰ্ডে এই বিল দুখনৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, ২০১৬ চনত বিল দুখনৰ সংৰক্ষণৰ বাবে খননৰ প্ৰস্তাৱ লোৱা হৈছিল যদিও বিভিন্ন কাৰণত সম্ভৱ হৈ উঠা নাছিল। কালি মহাপ্ৰবন্ধক ক্যোমৰ জাৱেদ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ড° সোণালী ঘোষৰ উপস্থিতিত কাজিৰঙা হুকুমা বিল সংৰক্ষণ আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ সৈতে মিলিত হয় আৰু প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰে। বিল দুখন পৰিদৰ্শন কৰি নাবাৰ্ডৰ মহাপ্ৰবন্ধকগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, অতি কম দিনৰ ভিতৰত এই প্ৰকল্প ৰূপায়ণ কৰি জল সংৰক্ষণৰ লগতে বহনক্ষম উন্নয়ন সম্ভৱ হৈ উঠিব।

00000

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিক পুনৰ সেউজ কৰি তোলাৰ লক্ষ্যৰে সোণাৰি বিলত বন বিভাগৰ উদ্যোগত কালিৰে পৰা গছপুলি ৰোপণ আৰম্ভ কৰা হৈছে। বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে সকলোকে আহ্বান জনাইছে। উল্লেখযোগ্য যে, যোৱা ৩০ জুলাইৰ পৰা চলি থকা এই উচ্ছেদ অভিযানত অঞ্চলটোৰ ১০ হাজাৰ বিঘাৰো অধিক ভূমি দখলমুক্ত কৰা হৈছিল। সোণাৰি বিলত আৰম্ভ কৰা এই গছপুলি ৰোপণ অভিযান অন্যান্য উচ্ছেদিত ভূমিলৈও সম্প্ৰসাৰণ কৰা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে। কালি এই উপলক্ষে আয়োজিত কাৰ্যসূচীত বিশেষ মুখ্য সচিব এম. কে. যাদৱ, জিলাখনৰ আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। আজি ১৫ হাজাৰ উৰিয়াম গছৰ পুলি ৰোপণ কৰা হয়। বিশেষ মুখ্য সচিব শ্ৰীযাদৱে এই অনুষ্ঠানত কয়, যে এই পুনৰুদ্ধাৰ কৰা ভূমিত ২৩ ছেপ্টেম্বৰ পৰ্যন্ত গছপুলি ৰোপণ চলি থাকিব। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তই এই কাৰ্যসূচীক উৰিয়ামঘাটৰ বাবে নতুন আৰম্ভণি বুলি অভিহিত কৰি অহা ৫ বছৰৰ ভিতৰত অঞ্চলটো পৰ্যটনৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ব বুলিও আশা প্ৰকাশ কৰে।

0000

বিশ্ব বেডমিণ্টন ফেডাৰেচনে অহা ৬ৰ পৰা ১১ অক্টোবৰলৈ গুৱাহাটীৰ আমিনগাঁৱৰ ৰাষ্ট্ৰীয় উৎকৰ্ষ সাধন কেন্দ্ৰত হ'বলগীয়া বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ, ২০২৫-ৰ সূচী ঘোষণা কৰিছে। সুহান্দিনাটা কাপ Mixed Team Event হিচাপে পৰিচিত এই প্ৰতিযোগিতাত মুঠ ৩৭ খন দেশে দলীয় শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দলসমূহক মুঠ ৮ টা গ্ৰুপত ভাগ কৰা হৈছে। আয়োজক দেশ ভাৰতক হংকং, চীন, নেপাল আৰু ঘানাৰ সৈতে গ্ৰুপ H-ত স্থান দিয়া হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটো বাছনি কৰিবলৈ আজিৰে পৰা গুৱাহাটীত দলৰ শিবিৰ আৰম্ভ হৈছে। ১৩ আগষ্টত এই শিবিৰৰ সামৰণি পৰিব। চলিত বৰ্ষৰ এছিয়া জুনিয়ৰ চেম্পিয়নশ্বিপত পদক লাভ কৰা খেলুৱৈসকলে প্ৰত্যক্ষভাৱে ভাৰতীয় দলত স্থান লাভ কৰিব। বাকী খেলুৱৈসকলক গুৱাহাটীৰ শিবিৰৰ পৰা বাছনি কৰা হ'ব। মিক্সড দলীয় সুহান্দিনাটা কাপৰ পাছতেই গুৱাহাটীত ১৩ৰ পৰা ১৯ অক্টোবৰলৈ BWF বিশ্ব জুনিয়ৰ চেম্পিয়নশ্বিপৰ একক শাখাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

0000

সমাপ্ত